প্ৰশ্ন- অসমীয়া ভাষাত কাৰক কেই প্ৰকাৰৰ আৰু কি কি ? অসমীয়াত কাৰকৰ সম্পৰ্ক কেনেদৰে প্ৰকাশ কৰা হয় আলোচনা কৰা ?

উত্তৰ- বাক্যত ভিন ভিন শব্দৰ সংযোগ ঘটে আৰু সেইবোৰৰ মাজত এটা পাৰস্পৰিক সম্পৰ্ক স্থাপন হয় । এন অৱস্থাত বিশেষকৈ ক্ৰিয়া শব্দৰ আগত কিছুমান আন শব্দৰ সম্বন্ধ স্পষ্ট হৈ উঠে । ক্ৰিয়াৰ লগত যিহৰ অন্বয় হয় সেইটোৱে কাৰক । সংস্কৃতৰ দৰে অসমীয়াতো কাৰক ছটা - কৰ্তা, কৰ্ম, কৰণ, নিমিত্ত , অপাদন, আৰু অধিকৰণ ।

অসমীয়াত সম্বন্ধ বুজাবলৈ যোগ দিয়া -ৰ (অৰ) বিভক্তিয়ে পোনপটীয়াকৈ ক্ৰিয়াপদৰ লগত সম্পৰ্ক নেদেখুৱাই যদিও অন্যান্য বিভক্তি আৰু ক্ৰিয়াৰ সাদৃশ্যতে সম্বন্ধ পদটোকো কাৰকবাচক পদৰ শ্ৰেণীতে ধৰা হৈ আহিছে ।

আকৌ সংস্কৃতৰ সম্প্ৰদান কাৰক অসমীয়াত নাই । কাৰোবাক কোনো এটা বস্তু দিয়াটোৱেই সম্প্ৰদান । সংস্কৃতত সম্প্ৰদান কাৰকত চতুৰ্থ বিভক্তি হয় । যেনে- দৰিদ্ৰায় ধনং দদাতি । অসমীয়াত কাৰোবাক কোনো বস্তু দিয়া অৰ্থত কৰ্ম কাৰকহে হয় । যেনে- ভিখাৰীক চাউল দিছে । অসমীয়াত অৱশ্যে প্ৰতি, অভিমুখ, নিমিত্ত আদি অৰ্থত ক্ৰিয়াৰ লগত কিছুমান শব্দৰ সম্পৰ্ক ঘটে । সেয়েহে ইয়াক নিমিত্ত কাৰক বোলা হয় ।

কাৰকৰ সম্পৰ্ক বুজাবলৈ অসমীয়াত দুটা উপায় গ্ৰহণ কৰা হয় । (ক) শব্দ বিভক্তি যোগ দি , আৰু (খ) শব্দ বিভক্তিৰ পাছত পৰসৰ্গ ব্যৱহাৰ কৰি । এই পৰসৰ্গবোৰ সম্বন্ধ পদৰ বিভক্তি -ৰ(অৰ) ৰ পাছত লগ লাগে ।

যিহৰ দ্বাৰা কাৰক আৰু সম্বন্ধ পদৰ বোধ জন্মে বা যিহৰ দ্বাৰা কাৰক আৰু সম্বন্ধ পদক চিনিব পাৰি সেইটোৱেই শব্দ বিভক্তি । অসমীয়াত শব্দ বিভক্তি ছবিধ - প্ৰথমা, দ্বিতীয়া, তৃতীয়া, চতুৰ্থী, ষষ্ঠী আৰু সপ্তমী । সেইকেইটা তলত দিয়া ধৰণৰ -

প্ৰথমা- 0 - এ

দ্বিতায় - 0 , - ক

তৃতীয়া - -ৰে

চতুৰ্থী - -লৈ

ষষ্ঠী - -ৰ

সপ্তমী - -ত

অসমীয়াত যিহেতু বিভক্তি যুক্ত নোহোৱাকৈ পদ ৰচনা হব নোৱাৰে, সেয়ে অসমীয়া ভাষাৰ কেতবোৰ বাক্যত বিভক্তি নোহোৱাকৈ ( যেনে- ৰাম যায় ।) বাক্য ৰচনা হোৱা কথালৈ লক্ষ্য ৰাখি ড়গোলোক চন্দ্ৰ গোস্বামীদেৱে শূণ্য বিভক্তি এটাৰ কথা উল্লেখ কৰিছে । আকৌ, কেতবোৰ অসমীয়া ব্যকৰণত পঞ্চমী বিভক্তিৰ কথা উল্লেখ কৰিছে যদিও প্ৰকৃতাৰ্থত অসমীয়াত পঞ্চমী নাই । ষষ্ঠী -ৰ(অৰ) বিভক্তি যোগ হোৱাৰ পাছত 'পৰা' পৰসৰ্গ ব্যৱহাৰ কৰি অপাদান কাৰকৰ অৰ্থ প্ৰকাশ কৰা হয় । যেনে- 'গছৰ পৰা' । অসমীয়া ভাষাত অপাদান কাৰক আছে কিন্তু পঞ্চমী বিভক্তি নাই ।

সংস্কৃতৰ দৰে অসমীয়াতো কাৰকৰ বিভক্তিৰ সংখ্যা একে যদিও বিভক্তি আৰু কাৰকবোৰ একে নহয় । বিভক্তিবোৰ হল ভাষাৰ গঠনমূলক ৰূপ আৰু কাৰকবোৰ হল এই বিভক্তিবোৰৰ প্ৰয়োগগত অৰ্থ্যাৎ ব্যৱহাৰিক ৰূপ । বিভক্তিবোৰ ৰূপ, কাৰক সিহঁতৰ কাৰ্য বা অৰ্থ । গতিকে, কেতিয়াবা একোটা বিভক্তিৰে প্ৰয়োগৰ বা সঙ্গতিৰ ভিন্নতাৰ হেতু ভিন ভিন কাৰক

অসমীয়া ভাষাত কৰ্তা আৰু কৰ্ম কাৰকৰ অৰ্থ প্ৰকাশক শূণ্য বিভক্তি এটা আছে কিন্তু অপাদান কাৰকৰ অৰ্থ প্ৰকাশক বিভক্তি নাই । আনহাতে, সংস্কৃতৰ অনুৰূপ সম্প্ৰদান কাৰক নাই কিন্তু চতুৰ্থী বিভক্তি এটা আছে । এই

বিভক্তিটোৱে নিমিতাৰ্থক সংগতিহে দেখুৱায়।

উপৰিউক্ত আলোচনাৰ ভিত্তিত তলত কাৰকবাচক বিভক্তিৰ তালিকা এখন প্ৰস্তুত কৰা হল -

| সংখ্যা | কাৰক অনুযায়ী | বিভক্তি |
|---|---|---|
| প্ৰথমা | কৰ্তা কাৰক | 0,-এ |
| দ্বিতীয়া | কৰ্ম কাৰক | 0, -ক(অক) |
| তৃতীয়া | কৰণ কাৰক | -ৰে |
| চতুৰ্থী | নিমিত্ত কাৰক | -লৈ |
| পঞ্চমী | অপাদান কাৰক | নাই |
| ষষ্ঠী | সম্বন্ধ পদ | -ৰ(অৰ) |
| সপ্তমী | অধিকৰণ কাৰক | -ত(অত) |

যাৰ বা যিহৰ যত্নত ক্ৰিয়া সম্পন্ন হয় অথবা যি বা যিহে আনক ক্ৰিয়াক প্ৰৱৰ্তিত কৰায়, সেইটোৱেই কৰ্তা কাৰক । কৰ্ত কাৰক প্ৰথমা বিভক্তি হয় । সম্বোধনতো প্ৰথমা বিভক্তি হয় আৰু অসমীয়াত সি শূণ্য বিভক্তি যুক্তহে হয় । যেনে- ছোৱালীহঁত বা বা লৰাহঁত, শুই থকা শিয়ালে হাঁহ ধৰিব নোৱাৰে । পাৰস্পৰিক কাৰ্য বুজাবলৈ প্ৰথমা বিভক্তি যোগ হয় । যেনে- গৰুৱে গৰুৱে যুঁজ লাগিছে । ধন্য শব্দৰ সংযোগত প্ৰথমা বিভক্তি হয় । যেনে- ধন্য ৰাম ।

কৰ্তা কাৰকৰ প্ৰথমা বিভক্তিৰ কেতবোৰ বিশেষ ব্যৱহাৰ আছে । কোনো কোনো ক্ষেত্ৰত এইটোৱে কৰণ কাৰকৰ তৃতীয়া বিভক্তি ৰূপে, অপাদান কাৰকৰ পঞ্চমী বিভক্তি ৰূপে আৰু অধিকৰণ কাৰকৰ সপ্তমী বিভক্তি ৰূপে কাম কৰে । যেনে- হাতে কটা সূতা, কথাটো সকলোৰে মুখে মুখে, বিনা মেঘে বজ্ৰপাত ইত্যাদি ।

যি বা যিহকে কৰা যায় অৰ্থ্যাৎ ক্ৰিয়াৰ যি 'ব্যাপ্য' সেইটোৰ নাম কৰ্ম কাৰক । কৰ্ম কাৰকত দ্বিতীয়া বিভক্তি হয় । যেনে- ৰামক মাত । ব্যক্তিবাচক ৰূপৰ বাহিৰে বিশেষভাৱে নুবুজালে কৰ্ম কাৰকত দ্বিতীয়া বিভক্তি -ক(অক) যোগ নহয় । যেনে- ৰামে মানুহ মাৰিলে । কিন্তু, ৰামে হৰিক মাৰিলে । 'ধিক' শব্দৰ আগটো দ্বিতীয়া বিভক্তি হয় । যেনে- ধিক তেৰ জীৱন ।

ক্ৰিয়া নিষ্পত্তিৰ সৰ্বপ্ৰধান উপায়েই হল কৰণ কাৰক । ইয়াক এনেধৰণৰেও কব পাৰি : 'যাৰ দ্বাৰা বা যিহৰ দ্বাৰা কৰ্তাই ক্ৰিয়া সম্পন্ন কৰে সেইটোৱেই কৰণ কাৰক । কৰণ কাৰকত তৃতীয়া বিভক্তি হয় । যেনে- কটাৰীৰে তামোল কাটিছে ।

নিমিত্ত কাৰক আৰু সম্বন্ধ পদৰ আলোচনা ইতিমধ্যেই প্ৰসঙ্গক্ৰমে কৰি অহা হৈছে । স্থান, কাল আৰু পাত্ৰ যিহৰে আধাৰ বা আশ্ৰয়ত ক্ৰিয়া সম্পাদিত হয় সেইটাৰ নাম অধিকৰণ কাৰক । যেনে- তেওঁ শিৱসাগৰত জন্মিছিল । হেতু অৰ্থটো সপ্তমী বিভক্তি হয় । যেনে- আনন্দত নাচিছে । বিনা,বিনে, নিপুণ, পাৰ্গত আদি শব্দৰ সংযোগত পূৰ্বৱৰ্তী বা পৰৱৰ্তী শব্দত সপ্তমী বিভক্তি হয় । যেনে- হৰিত বিনে গতি নাই, বিনা মেঘে বজ্ৰপাত ইত্যাদি । ইয়াৰ উপৰিও বিশেষ বিশেষ খণ্ড শব্দত বেলেগ বেলেগ বিভক্তি যোগ কৰিও কাৰকৰ অৰ্থ প্ৰকাশ কৰা হয় । যেনে- দিনক দিনে, কোবত কোবে ইত্যাদি ।

কাৰক বিভক্তি ব্যৱহাৰৰ বৈশিষ্ট্য :

(ক) কাৰক বিভক্তিবোৰ ধাতুৰ বাহিৰে আন সকলো বোৰ প্ৰতিপ্ৰদিকৰ পাছত যোগ হয় । যেনে-

ঘৰ - ঘৰত, ঘৰলৈ, ঘৰৰ ইত্যাদি ।

(খ) সাধিত নামপদ আৰু সমাসবদ্ধ শব্দৰ পাছত যোগ হয় । যেনে-

ফুলনি- ফুনলিত, ফুলনিৰ, ফুলনিলৈ

পীতাম্বৰ-পীতাম্বৰৰ, পীতাম্বৰলৈ ইত্যাদি ।

(গ) সম্বন্ধবাচক বিশেষ্যত পুৰুষবাচক বিভক্তি যোগ হোৱাৰ পাছতহে কাৰক বিভক্তি যোগ হয় । যেনে-

খুৰীয়েৰালৈ (- খুৰী - এৰা -লৈ )

(ঘ) নিদিষ্টবাচক প্ৰত্যয় বহুবচনৰ ৰূপ আদি যোগ হোৱাৰ পাছতহে নামশব্দত কাৰকবাচক বিভক্তি লগ লাগে । যেনে- লৰাটোৱে, লৰাটোলৈ, লৰাবোৰৰ পৰা, লৰাবিলাকলৈ, লৰাবোৰলৈ ইত্যাদি ।

অনুসৰ্গৰ ব্যৱহাৰ

কাৰকৰ সম্পৰ্ক বিভিন্ন অনুসৰ্গ যোগ কৰিও প্ৰকাশ কৰা হয় । অনুসৰ্গ হল পদৰ শেষত যোগ হৈ কোনো কথাৰ জোৰ, দৃঢ়তা, আবেদন আদি বুজাব পৰা প্ৰাকৃতি । পদৰ একেবাৰে শেষত এইবোৰ যোগ হয় কাৰণে অনুসৰ্গ বুলি কোৱা হয় । বিভক্তি যোগ হোৱাৰ পাছত এইবোৰ লগ লাগে ।

সকলো কাৰকতে অনুসৰ্গ বা পৰসৰ্গ যোগ নহয় । কেৱল কৰণ, অপাদান আৰু অধিকৰণ কাৰকতহে যোগ হয় । যেনে- *কৰণত* - দি , দ্বাৰা, হতুৱাই

*অপাদানত* - পৰা

*অধিকৰণত* - কৈ , দি

কৰণকাৰকত -এ বিভক্তি আৰু সম্বন্ধৰ পাছত ‘দি’, ‘দ্বাৰা’, ‘হতুৱাই’, ‘সৈতে’ যোগ হৈ কাৰোবাৰ দ্বাৰা কোনো কাম কৰা বুজায় । যেনে- ৰামৰ হাতেদি চিঠিখন পঠালো ।

মাটিডৰা গৰুৰ দ্বাৰা হালবোৱা হল ।

ছোৱালীজনীৰ হতুৱাই চোতালখন মচালো ।

ৰামচন্দ্ৰ সীতাৰ সৈতে বনলৈ গৈছিল ।

অপাদান কাৰকৰ অৰ্থত সম্বন্ধ বুজোৱা *-ৰ বা -অৰ* বিভক্তিৰ পাছত ‘পৰা’ পৰসৰ্গ ব্যৱহাৰ কৰি তাৰদ্বাৰা ব্যৱধান, বিচ্ছেদ, পৃথক, জন্ম , উৎপত্তি আদি ভাৱ প্ৰকাশ কৰা হয় ।

যেনে- গুটিৰ পৰা গছ হয়।

গছৰ পৰা আমটো সৰিল ।

গুৱাহাটীৰ পৰা দিল্লী বহুত দূৰ ।

অধিকৰণ কাৰকত *-ত বা -অত* বিভক্তিৰ পাছত ‘কৈ’ অনুসৰ্গ যোগ হৈ দুটা বস্তুৰ তুলনা বা গুণ, তাৰতম্য প্ৰকাশ কৰা হয় । যেনে- ৰামতকৈ হৰি বেছি ভাল।

নাই মোমাইতকৈ কণা মোমাই ভাল । ইত্যাদি ।